# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI

0000000000

**Date :** 05-04-2024
**Time :** 19.10 hrs

# Assamese Evening Bulletin

## HEADLINES

১। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে বৰ্তমান সমগ্ৰ দেশে উন্নত ৰাষ্ট্ৰৰূপে নিজকে প্ৰতিষ্ঠা কৰাৰ বাবে কাম কৰি আছে।

২। দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰা হয়।

৩। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে মঙলবাৰ পৰ্যন্ত উত্তৰ পূৰ্বাঞ্চলত ধুমুহা-বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে।

৪। ৰাষ্ট্ৰীয় চেম্পিয়ন ৰেলাৰন চেন্থিলকুমাৰ জাৰ্মান অ'পেন স্কোৱাছ প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

*আৰু*

৫। চেন্নাই ছুপাৰ কিংছ কিছু সময়ৰ পাছত হায়দৰাবাদত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে বৰ্তমান সমগ্ৰ দেশে উন্নত ৰাষ্ট্ৰৰূপে নিজকে প্ৰতিষ্ঠা কৰাৰ বাবে কাম কৰি আছে। শ্ৰী মোদীয়ে আজি ৰাজস্থানৰ শেখাৱতী অঞ্চলৰ চুৰুৰ এখন নিৰ্বাচনী সভাত ভাষণ দি এইদৰে প্ৰকাশ কৰে। শ্ৰী মোদীয়ে কয় যে বিগত ১০ বছৰত তেওঁৰ চৰকাৰে জনসাধাৰণৰ কেইবা দশকজোৰা বুনিয়াদী আৱশ্যকতা পূৰণ কৰিবলৈ সমৰ্থ হৈছে। তেওঁ কয় যে বিগত ১০ বছৰত উন্নত ভাৰতবৰ্ষৰ বাবে ভেঁটি নিৰ্মাণ কৰা হৈছে। সম্প্ৰতি সমগ্ৰ বিশ্ব ভাৰতৰ দ্ৰুত প্ৰগতিক লৈ আশ্চৰ্যচকিত হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰী মোদীয়ে কয় যে ক্ষমতালৈ অহাৰ পাছত তেওঁৰ চৰকাৰে সততাৰে কাম কৰিছে আৰু ইয়াৰ বলতে দেশৰ ক্ষিপ্ৰ প্ৰগতি সম্ভৱ হৈ উঠিছে। বৰ্তমান চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ কথা উল্লেখ কৰি শ্ৰী মোদীয়ে কয় যে তেওঁৰ চৰকাৰে প্ৰতিটো পৰিয়ালৰ বাবে শৌচালয় আৰু খোৱা পানীৰ দৰে উমৈহতীয়া সুবিধা সুনিশ্চিত কৰাৰ উদ্দেশ্যে যুদ্ধকালীন ক্ষিপ্ৰতাৰে কাম কৰি আহিছে। কৰোনা বিপৰ্যয়ৰ মাজতো দেশ বিশ্বৰ পঞ্চম সৰ্ববৃহৎ অৰ্থ ব্যৱস্থাৰূপে পৰিগণিত হোৱা বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। বিগত ১০ বছৰত কৰা কামক ট্ৰেইলাৰ বুলি অভিহিত

কৰি শ্ৰী মোদীয়ে কয় যে অনাগত সময়ত দেশত  অনেক ডাঙৰ কাম কৰিবলগীয়া আছে। বিৰোধী দলসমূহক সমালোচনা কৰি তেওঁ কয় যে সেনা বাহিনীয়ে চাৰ্জিকেল আৰু বিমান আক্ৰমণ চলোৱাৰ সময়ত বিৰোধী দলৰ সদস্যসকলে প্ৰমাণহে বিচাৰিছিল।

০০০০০০০

দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰা হয়। অৱশ্যে এই পৰ্যায়ত সামৰি ল'বলগীয়া জম্মু-কাশ্মীৰৰ এটা সংসদীয় সমষ্টিৰ মনোনয়ন সমূহ কাইলৈ পৰীক্ষা কৰা হ'ব। এই পৰ্যায়ত আউটাৰ মণিপুৰ লোকসভা সমষ্টিৰ কিছু অংশৰ লগতে ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৮৮ খন লোকসভা আসনৰ বাবে অহা ২৬ মাৰ্চত নিৰ্বাচন অনুষ্ঠিত হ'ব। ইয়াৰ ভিতৰত কেৰালাৰ ১২ খন, কৰ্ণাটকৰ ১৪ খন, ৰাজস্থানৰ ১৩ খন, মধ্যপ্ৰদেশত ৭ খন আসনৰ উপৰি উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰত ৮ খনকৈ আসন, অসম আৰু বিহাৰত ৫ খনকৈ, পশ্চিম বংগ আৰু ছত্তিশগড়ত ৩ খনকৈ তথা মণিপুৰ, ত্ৰিপুৰা আৰু জম্মু-কাশ্মীৰৰ এখনকৈ আসন আছে।

০০০০০০০

মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে ভোটদানৰ হাৰ বৃদ্ধি আৰু আচৰণগত হাৰ বৃদ্ধিৰ বাবে ভোটগ্ৰহণ কেন্দ্ৰ পৰ্যায়ত কাৰ্য পৰিকল্পনা  প্ৰস্তুত কৰিবলৈ বচা বচা জিলাৰ নিৰ্বাচনী বিষয়া আৰু পৌৰ আয়ুক্তসকলক নিৰ্দেশ দিছে। মুখ্য আয়ুক্তগৰাকীয়ে তেওঁলোকক নগৰ আৰু গ্ৰামাঞ্চলৰ বাবে সুকীয়া সুকীয়া ৰণনীতি প্ৰস্তুত কৰিবলৈ আহ্বান জনাইছে। শ্ৰী কুমাৰে আজি নতুন দিল্লীত অনুষ্ঠিত পৌৰ আয়ুক্ত আৰু কেইখনমান জিলাৰ নিৰ্বাচনী বিষয়াৰ সৈতে হোৱা বৈঠকত অধ্যক্ষতা কৰি এইদৰে নিৰ্দেশ দিয়ে। আসন্ন লোকসভা নিৰ্বাচনত ভোটদানৰ হাৰ বৃদ্ধিৰ উদ্দেশ্যে আয়োজন নিম্ন ভোটদান বিষয়ক এই সন্মিলনত দিল্লী, মুম্বাই, চেন্নাই, বেংগালুৰু, হায়দৰাবাদ, আহমেদাবাদ, পুনে, থানে, নাগপুৰ, পাটনা চাহিব, লক্ষ্ণৌ আৰু কাণপুৰত পৌৰ আয়ুক্ত তথা বিহাৰ আৰু উত্তৰ প্ৰদেশৰ কেইখনমান বচা বচা জিলাৰ নিৰ্বাচনী বিষয়াই অংশগ্ৰহণ কৰে। কৰ্ণাটক, গুজৰাট, মধ্যপ্ৰদেশ, ৰাজস্থান, তামিলনাডু, তেলেংগানা আৰু পাঞ্জাৱৰ মুখ্য নিৰ্বাচনী বিষয়াসকলে ভাৰ্চুৱেল ব্যৱস্থাৰে সন্মিলনত ভাগ লয়। সন্মিলনত মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে জনসাধাৰণৰ মাজত গণতন্ত্ৰৰ এই মহোৎসৱত অংশগ্ৰহণক লৈ গৌৰৱবোধ উদয়ৰ হকে কাম কৰিবলৈ কৰ্তৃপক্ষসমূহক নিৰ্দেশ দিয়ে। তেওঁ লগতে জনসাধাৰণক ভোট গ্ৰহণৰ বাবে নিজেই আগবাঢ়ি আহিবলৈ উৎসাহিত কৰাৰ উদ্দেশ্যে আন্দোলন গঢ়ি তুলিবলৈ আহ্বান জনায়। তেওঁ কয় যে যোৱা নিৰ্বাচনত ভোটদানৰ হাৰ কম হোৱাত গ্ৰামাঞ্চলৰ ২১৫ আৰু নগৰাঞ্চলৰ ৫১ টা সমষ্টি চিনাক্ত কৰি উলিওৱা হৈছে আৰু এই সমষ্টিসমূহত জনসাধাৰণৰ অংশগ্ৰহণ বৃদ্ধিৰ বাবে প্ৰয়াস চলোৱা হ'ব। ইয়াৰ বাবে তেওঁ ভোটগ্ৰহণ কেন্দ্ৰত সুবিধা বৃদ্ধি, বিচৰা ধৰণে ভোটদাতাসকলৰ সৈতে যোগসূত্ৰ স্থাপন আৰু জনসাধাৰণক প্ৰভাৱিত কৰাৰ বাবে গুৰুত্বপূৰ্ণ পক্ষসমূহক জড়িত কৰাৰ তিনিদফীয়া ৰণনীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০০০০

বিজেপিয়ো লোকসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছে প্ৰকাশ কৰা ইস্তাহাৰক মিথ্যাচাৰৰ মালিতা বুলি অভিহিত কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিজেপিৰ মুখপাত্ৰ সুধাংশু ত্ৰিবেদীয়ে কয় যে ভোটদাতাসকলৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰাৰ উদ্দেশ্যে এই ইস্তাহাৰ যুগুতাই উলিওৱা হৈছে। কংগ্ৰেছে বিধানসভা আৰু লোকসভা নিৰ্বাচনৰ বাবে পূৰ্বতে প্ৰকাশ কৰা নিৰ্বাচনী ইস্তাহাৰৰ এটাও প্ৰতিশ্ৰুতি পূৰণ কৰা নাই বুলি তেওঁ

অভিযোগ কৰে। শ্ৰী ত্ৰিবেদীয়ে কয় যে কংগ্ৰেছে ইস্তাহাৰখনৰ জল ব্যৱস্থাপনা বিষয়ক পৃষ্ঠাত নিউয়ৰ্কৰ বাফেলো নৈৰ ছবি অন্তৰ্ভুক্ত হৈছে। মুখপাত্ৰগৰাকীয়ে ইস্তাহাৰখনক ন্যায় পত্ৰ আখ্যা দিয়া কংগ্ৰেছে দেশৰ সৈতে অন্যায় কৰিছে বুলিও অভিযোগ তোলে।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে মঙলবাৰ পৰ্যন্ত উত্তৰ পূৰ্বাঞ্চলত ধুমুহা-বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে কৈছে যে অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, অৰুণাচল প্ৰদেশ, ছিকিম আৰু পশ্চিমবংগত পৰৱৰ্তী ৭ দিনত বিজুলী-ঢেৰেকণিৰে মজলীয়া বৰষুণ হ'ব পাৰে আৰু প্ৰতি ঘণ্টাত ৫০ কিলোমিটাৰ পৰ্যন্ত বেগেৰে বতাহ বলিব পাৰে। ঝাৰখণ্ড আৰু ওড়িশাত কাইলৈ একেধৰণৰ বতৰ হ'ব পাৰে বুলি বিভাগে প্ৰকাশ কৰিছে।

০০০০০০০

দিল্লীৰ এখন আদালতে আজি মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে তেওঁৰ অধিবক্তাৰ সৈতে আইনী বৈঠকৰ সংখ্যা, সপ্তাহত দুবাৰৰ পৰা পাঁচবাৰলৈ বৃদ্ধি কৰাৰ বাবে কৰা অনুৰোধটো সংৰক্ষণ কৰে। ৰাউজ এভিনিউ আদালতৰ বিশেষ ন্যায়াধীশ কাবেৰী বাৱেজাই এই বিষয়টোৰ ওপৰত আদেশ পাবলৈ ৯ এপ্ৰিলৰ দিনটো ধাৰ্য কৰিছে। উল্লেখযোগ্য যে সোমবাৰে আদালতে আবকাৰী নীতিৰ কেলেংকাৰীত ধন সৰবৰাহৰ গোচৰৰ সৈতে জড়িত মুখ্যমন্ত্ৰী কেজৰিৱালক ১৫ এপ্ৰিললৈকে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে।

০০০০০০০

আম আদমী পাৰ্টীয়ে আজি অভিযোগ কৰে যে মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক ষড়যন্ত্ৰৰ বলি কৰি কাৰাগাৰত বন্দী কৰি ৰখা হৈছে। নতুন দিল্লীত সংবাদ মাধ্যমক অৱগত কৰি আপৰ নেতা সঞ্জয় সিঙে অভিযোগ কৰে যে সাংসদ মগুন্তা ৰেড্ডীক কেজৰিৱালৰ বিৰুদ্ধে ভুৱা বক্তব্য দিবলৈ হেঁচা প্ৰদান কৰা হৈছিল আৰু যেতিয়া তেওঁ নাকচ কৰিছিল তেতিয়া তেওঁৰ পুত্ৰ ৰাঘৱ ৰেড্ডীক গ্ৰেপ্তাৰ কৰা হৈছিল। তেওঁ লগতে কয় যে নিৰন্তৰ সোধা-পোছাৰ অন্তত ৰাঘৱ ৰেড্ডীয়ে কেজৰিৱালৰ বিৰুদ্ধে নিজৰ বক্তব্য সলনি কৰে আৰু ইয়াৰ ফলতে আপৰ নেতাসকলক ভুৱা অভিযোগত অভিযুক্ত কৰাৰ ষড়যন্ত্ৰত জড়িত হৈ পৰে।

ইপিনে, দিল্লী বিজেপিৰ মুৰব্বী বীৰেন্দ্ৰ সচ্‌দেৱাই আম আদমী পাৰ্টীৰ নেতাসকলে সুৰা কেলেংকাৰীৰ অভিযোগ সন্দৰ্ভত অহৰহ বিভ্ৰান্তিকৰ বক্তব্য প্ৰদান কৰা বুলি অভিযোগ কৰে। তেওঁ লগতে কয় যে এই গোচৰত শ্ৰী সিঙে জামিন পোৱাৰ অৰ্থ এইটো নহয় যে গোচৰটো বন্ধ হৈ গৈছে। সচ্‌দেৱাই লগতে যদিহে সুৰা নীতি ভালেই আছিল তেন্তে দিল্লী চৰকাৰে এই নীতি কিয় সলনি কৰিলে বুলি প্ৰশ্ন কৰে।

০০০০০০০

উচ্চতম ন্যায়ালয়ে আজি ইউ পি ব'ৰ্ড অব মাদ্ৰাছা শিক্ষা আইন, ২০০৪-ক এলাহাবাদ উচ্চ ন্যায়ালয়ে অসাংবিধানিক আৰু ধৰ্ম নিৰপেক্ষতা উলংঘা কৰা বুলি কৰা ঘোষণাৰ ওপৰত স্থগিতাদেশ জাৰি কৰিছে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচুড়ৰ নেতৃত্বত তিনিজনীয়া বিচাৰপীঠে উচ্চ ন্যায়ালয়ৰ নিৰ্দেশক প্ৰত্যাহ্বান জনোৱা আবেদন সন্দৰ্ভত কেন্দ্ৰ আৰু উত্তৰ প্ৰদেশ চৰকাৰক জাননী জাৰি কৰে। ইয়াৰ পূৰ্বে কেন্দ্ৰই নিজৰ আবেদনত দৃঢ়তাৰে কয় যে এই ৰায়দানত ভাৰতীয় সংবিধানত সন্নিবিষ্ট ধৰ্মনিৰপেক্ষতাৰ ধাৰণাটো ভুলকৈ ব্যাখ্যা কৰা হ'ব পাৰে।

০০০০০০০

ৰাষ্ট্ৰীয় চেম্পিয়ন ৰেলাৰন চেন্থিলকুমাৰ জাৰ্মান অ’পেন স্কোৱাছ প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। চেন্থিলকুমাৰে কালি হেমবাৰ্গত অনুষ্ঠিত প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ইংলেণ্ডৰ অষ্টম বাছনিপ্ৰাপ্ত জৰ্জ পাৰ্কাৰক ১১-৫, ১১-৮, ৯-১১, ১১-৯ ফলাফলত পৰাস্ত কৰে। এছিয়ান গেম্‌ছত ৰূপৰ পদক বিজেতা চেন্থিল কুমাৰে ৬১ মিনিটত এই বিজয় সাব্যস্ত কৰে। ৰেলাৰন চেন্থিলকুমাৰ কোৱাৰ্টাৰ ফাইনেলত মালয়েছিয়াৰ ইয়ান য়’ৰ এনজিৰ সন্মুখীন হ’ব।

০০০০০০০

চেন্নাই ছুপাৰ কিংছ কিছু সময়ৰ পাছত হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ’বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

প্ৰতিযোগিতাত যোৱানিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছে গুজৰাট টাইটানছক ৩ উইকেটত পৰাস্ত কৰে। পাঞ্জাবে ২০০ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অ’ভাৰ আৰু ৫টা বলত ৭টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ইয়াৰ পূৰ্বে গুজৰাট টাইটানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি  অধিনায়ক শুভমন গীলৰ অপৰাজিত ৮৯ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অ’ভাৰত ৪ উইকেটৰ বিনিময়ত ১৯৯ ৰান কৰে।

০০০০০০০

সমাপ্ত